# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-01-2025
**Time :** 21-25 Hrs

## ***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰটো কাইলৈ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গিত কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে এই ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, আকাশবাণীৰ সঞ্চালক প্ৰধান প্ৰজ্ঞা পালিৱাল গৌড় আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি গুৱাহাটীত উপস্থিত থাকিব। এই উপলক্ষে একে সময়তে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী আৰু কোকৰাঝাৰৰ ভালেকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব।

কাইলৈৰ পৰা পশ্চিম অসমৰ শ্ৰোতাসকলে এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত আকাশবাণী কোকৰাঝাৰৰ অনুষ্ঠানসমূহ শুনিব পাৰিব।

ooooo

আকাশবাণীৰ সঞ্চালকপ্ৰধান শ্ৰীমতী প্ৰজ্ঞা পালিৱাল গৌড়ে দেশৰ দূৰ-দূৰণিৰ আওহতীয়া অঞ্চললৈকো আকাশবাণীৰ প্ৰচাৰ বিস্তৃত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীলৈ অহা সঞ্চালক প্ৰধানগৰাকীয়ে আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰত এই কথা প্ৰকাশ কৰি কয়, যে এই উদ্দেশ্যেৰেই আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰত কেন্দ্ৰীয় চৰকাৰে ১০ কিলোৱাটৰ এটা নতুন এফ এম ট্ৰান্সমিটাৰ স্থাপন কৰিছে। ইয়াৰ আগতে তেওঁ গুৱাহাটীত আকাশবাণী আৰু দূৰদৰ্শনৰ বিষয়াবৰ্গৰ সৈতে মাধ্যম দুটাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। শ্ৰীমতী পালিৱাল গৌড়ে আজি বিয়লি আকাশবাণীৰ গুৱাহাটীৰ বাতৰি কক্ষৰ লগতে ষ্টুডিঅ' আৰু আন কক্ষসমূহ পৰিদৰ্শন কৰে আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰই আগবঢ়াই অহা সেৱাৰ শলাগ লয়।

ooooo

শোণিতপুৰ জিলাৰ ঢেকীয়াজুলীৰ ভোটপাৰাৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি সন্ধিয়া এখন চাৰিচকীয়া বাহনে দলঙত খুন্দা মৰাৰ ফলত চলন্ত অৱস্থাতে বিস্ফোৰিত হৈ জ্বলি উঠে। জলন্ত গাড়ীখনৰ ভিতৰত থকা চন্দন চেত্ৰী নামৰ লোকজনৰ মৃত্যু হয়। স্থানীয় লোকে অগ্নি নিৰ্বাপক বাহিনী আৰু আৰক্ষীৰ সৈতে যোগাযোগ কৰাৰ কিছুসময় পাছতে দুয়োটা বিভাগৰ লোক আহি ঘটনাস্থলীত উপস্থিত হয়। গাড়ীখনৰ ভিতৰত থকা গেছ ছিলিণ্ডাৰ লিক হৈ এই জুইৰ সূত্ৰপাত হোৱা বুলি অগ্নি নিৰ্বাপক বাহিনী আৰু আৰক্ষীৰ লোকে নিশ্চিত কৰিছে।

০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ ঘোষণা কৰা হৈছে। বিশ্ব দবা চেম্পিয়ন ডি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মানু ভাকৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ পেৰা অলিম্পিকত সোণৰ পদক বিজয়ী প্ৰবীণ কুমাৰক মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা প্ৰদান কৰা হ'ব। একেদৰে ৩২গৰাকী খেলুৱৈলৈ অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। এই বঁটা প্ৰাপকসকলৰ ভিতৰত এথলীট জ্যোতি য়াৰাজী আৰু অনু ৰাণী, বক্সাৰ নিতু আৰু ছৱিটি, দবা খেলুৱৈ ৱন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক সঞ্জয়, জৰমনপ্ৰীত সিং আৰু সুখজিৎ সিং আছে। পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলীট প্ৰীতি পাল, জীৱনজী দিপ্তী, অজিত সিং আৰু শচীন খিলাড়ীলৈও অৰ্জুন বঁটা আগবঢ়োৱা হৈছে। ক্ৰীড়া ক্ষেত্ৰৰ জীৱনজোৰা সাধনাৰ অৰ্জুন বঁটা প্ৰবীণ এথলীট ছুচা সিং আৰু প্ৰবীণ পেৰা সাঁতোৰবিদ মুৰলীকান্ত পেটকাৰলৈ আগবঢ়োৱা হৈছে। অহা ১৭ জানুৱাৰীত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটাসমূহ প্ৰদান কৰিব।

০০০০০

গুৱাহাটী মহানগৰীৰ খাৰঘুলিৰ নামঘৰ পথত আজি পুৱা পানীৰ পাইপ ফুটি বিস্তীৰ্ণ অঞ্চল আকস্মিকভাৱে জলমগ্ন হৈ পৰাৰ ফলত জনসাধাৰণ ভীষণ সমস্যাৰ সন্মুখীন হয়। বহু সময় ধৰি অঞ্চলটোৱে যাতায়াত ব্যাহত হয়। জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আজি খাৰঘূলিত উপস্থিত হৈ এই ঘটনাৰ সবিশেষ বুজ লোৱাৰ লগতে ঘটনাস্থলী পৰিদৰ্শন কৰে। তেওঁ স্থানীয় ৰাইজ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি ভৱিষ্যত কাৰ্যপন্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বিজ্ঞানসন্মত পদ্ধতিৰে এই ঘটনাৰ অনুসন্ধান কৰি প্ৰতিকাৰৰ ব্যৱস্থা লোৱা হ'ব বুলি জানিবলৈ দিয়ে। তদুপৰি ক্ষতিগ্ৰস্তসকলক উচিত ক্ষতিপূৰণ দিবলৈ তেওঁ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

০০০০০

কাৰ্বি আংলং জিলাৰ প্ৰথমখন ইংৰাজী মাধ্যমৰ বিদ্যালয় ডিফু ডি এ ভি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। পাহাৰীয়া জিলাখনত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰয়োজনবোধ কৰি স্থানীয় কিছু লোকে ১৯৬৯ চনৰ ২ জানুৱাৰীত প্ৰতিষ্ঠা কৰা এই বিদ্যালয়খনৰ বৰ্তমান হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ অতি সন্তোষজনক বুলি বিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষ চন্দ্ৰ সিং চেনাৰে প্ৰকাশ কৰে।

০০০০০

চৰাইদেউ জিলাত অহা ২৬ জানুৱাৰীত গণৰাজ্য দিৱস শান্তিপূৰ্ণ আৰু সফলভাৱে উদযাপন কৰাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত আয়োজিত বৈঠকত গণৰাজ্য দিৱস উদযাপনৰ বাবে বিভাগীয় দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। বৈঠকত গণৰাজ্য দিৱসৰ মূল অনুষ্ঠানত পৰিৱেশন কৰিবলগীয়া কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰাৰ লগতে সুৰক্ষা আৰু নিৰাপত্তাৰ বিষয়তো গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

সমাপ্ত